জাতিৰ আবেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in e-paper : www.dainikjanambhumi.co.in

## প্নীল পল নিচুকীয়াৰ ন উপায়ুক্ত

নীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ৱাৰী ঃ তিনিচুকীয়া উপায়ুক্ত হিচাপে বৰ্ষৰ ভাৰতীয় ক সেৱাৰ বিষয়া স্বপ্নীল াজি দায়িত্ব গ্ৰহণ কৰে। কীয়া জিলাৰ বিদায়ী

# কানৈ মহাবিদ্যালয়লৈ 'নাক'ৰ 'এ' গ্ৰেড

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদৰ (নাক) 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। ২ আৰু ৩ ফেব্ৰুৱাৰীত দক্ষিণ বিহাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ডীন ড° শ্যামানন্দ সিং, পণ্ডিচেৰী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° শশীকান্ত দাশ আৰু মথুৰাৰ আৰ চি এ গাৰ্লছ (পি জি) কলেজৰ অধ্যক্ষ ড° প্ৰীতি জোহাৰীসহ তিনিজনীয়া নাকৰ পৰিদৰ্শনকাৰী দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনৰ বিদ্যায়তনিক, প্ৰশাসনিক, ছাত্ৰ-ছাত্ৰীৰ মান, শৈক্ষিক অনুশীলনৰ ধাৰাবাহিকতা, ক্ৰীড়া-সংস্কৃতিৰ দিশৰ সফলতাক পৰিদৰ্শনকাৰী দলটোৱে ভূয়সী প্ৰশংসা কৰে। অন্যান্য দিশসমূহৰ উপৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিক লৈ পৰিদৰ্শনকাৰী দলটোৱে সন্তোষ প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নাকৰ ফল লাভ কৰাৰ পিছতেই মত প্ৰকাশ কৰি কয় যে বিগত পাঁচ বছৰে মহাবিদ্যালয়খনক 'এ' গ্ৰেডৰ পৰ্যায়লৈ উত্তৰণ ঘটাবৰ বাবে সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰিছিল। এনে কঠোৰ পৰিশ্ৰমৰ ফলত মহাবিদ্যালয়খনে পূৰ্বৰ ২.৮৫ চি জি পি এৰ পৰা ৩.০৩ চি জি পি এলৈ উন্নীত হৈ 'এ' গ্ৰেড পাবলৈ সক্ষম হয়। এই মূল্যায়নৰ ফলত মহাবিদ্যালয়খনে নিজৰ শক্তি কি আৰু দুৰ্বলতা কি সেয়া জানিবলৈ সক্ষম হোৱা বুলিও তেওঁ কয়। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মাৰ উন্নয়নমুখী দৃষ্টিভংগীকো ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালখনে নাকৰ 'এ' গ্ৰেড লাভ কৰাৰ পিছতে মহাবিদ্যালয়খনৰ পৰিয়ালৰ মাজত আনন্দৰ বন্যা বৈছে।

## জাতীয় সাং বৰভেটিৰ সাং কাৰ্যসূচী

ডুমডুমা ঃ নিজা বাতৰি দিওঁতা ঃ প্ৰাকৃতিক পৰিৱেশ ৰক্ষাৰ স উদ্দেশ্যে জাতীয় সংস্কৃতি (অসম) তিনিচুকীয়া জি উদ্যোগত আৰু সৃষ্টি চ'ৰা তিনিচুকীয়া জিলাৰ বিশেষ মাগুৰি বিলৰ পাৰত গট খেলপথাৰত পক্ষীৰ কলৰ